**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াত শান্তি বাহাল কৰাৰ বাবে আলোচনা আৰু কূটনীতিয়েই একমাত্ৰ উপায় বুলি মত প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত বিত্ত বিধেয়ক ২০২৬ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিব।

৩। চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰী আইন ১৯৫৫ৰ অধীনত প্ৰাকৃতিক গেছ্ আৰু পেট্ৰ’লিয়ামজাত সামগ্ৰী বিতৰণ নিৰ্দেশ ২০২৬ জাৰি কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰল আৰু ডিজেল মজুত আছে আৰু ৰন্ধন গেছ্ৰ ঘৰুৱা উৎপাদন বৃদ্ধি কৰা হৈছে বুলি আশ্বাস দিছে। ***আৰু***

৫। চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ্ আৰম্ভ হ’ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনাইছে। ৰাজ্যসভাত দিয়া ভাষণত শ্ৰীমোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা পশ্চিম এছিয়াৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে। খাৰুৱা তেল, গেছ্ আদিৰ আমদানি প্ৰভাৱিত হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। হৰমুজ প্ৰণালীত বিভিন্ন দেশৰ জাহাজ আৱদ্ধ হৈ আছে আৰু এই জাহাজসমূহত ভাৰতৰ বহু সদস্য কৰ্মী হিচাপে আছে বুলি শ্ৰীমোদীয়ে উদ্বেগ প্ৰকাশ কৰে। এইক্ষেত্ৰত সকলোকে সংযম আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষা কৰি চলিবলৈ শ্ৰীমোদীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে পশ্চিম এছিয়াত শান্তি বাহাল কৰাৰ বাবে আলোচনা আৰু কূটনীতিয়েই একমাত্ৰ উপায় বুলি মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে ইৰান, ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি সকলো পক্ষৰ লগতে যুদ্ধৰ অৱসানৰ বাবে ভাৰতে যোগাযোগ ৰক্ষা কৰি আহিছে বুলিও উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে যুদ্ধৰ পৰিবেশৰ মাজতো ভাৰতীয়ৰ জাহাজসমূহৰ নিৰাপদ আহ-যাহ সুনিশ্চিত কৰাৰ বাবে কূটনীতিৰ মাধ্যমৰে প্ৰয়াস চলাই আছে। তেওঁ কয় যে বিগত কেইটামান দিনত বিশ্বৰ বিভিন্ন দেশৰ পৰা কেইবাখনো খাৰুৱা তেল আৰু ৰন্ধন গেছ্ পৰিবাহী জাহাজ ভাৰতত উপস্থিত হৈছে। তেওঁ কয় যে চৰকাৰে প্ৰতিটো খণ্ডত বিভিন্ন দেশৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে অহৰহ কাম কৰি আছে।

শ্ৰীমোদীয়ে কয়, যে পশ্চিম এছিয়াৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ্ আৰু তেলৰ যোগান অটুট ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰীয়ে কালি লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ’লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি

সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে। দেশত সম্প্ৰতি ৫৩ লাখ মেট্ৰিক টন পেট্ৰ'লিয়াম জমা আছে আৰু এই ভাণ্ডাৰ ৬৫ লাখ মেট্ৰিক টনলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে অসাধু ব্যৱসায়ী সকলক পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি কলা বজাৰ নচলাবলৈও সকীয়াই দিয়ে। ৰাজ্য চৰকাৰসমূহকো এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। এনে কঠিন পৰিস্থিতিত ভাৰতৰ সংসদৰ উচ্চ সদনৰ পৰা শান্তি আৰু আলোচনাৰ পক্ষে থকা সহমতৰ বিষয়ে সমগ্ৰ বিশ্বই অৱগত হোৱাটো অতি প্ৰয়োজনীয় বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত বিত্ত বিধেয়ক, ২০২৬ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিব। বিধেয়কখনে ২০২৬-২০২৭ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবলৈ বিচাৰিছে। আজি ৰাজ্যসভাত গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (সাধাৰণ প্ৰশাসন) বিধেয়ক, ২০২৬ উত্থাপন কৰিব। বিধেয়কখনে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত গ্ৰুপ এ সাধাৰণ কৰ্তব্য বিষয়া আৰু অন্যান্য বিষয়াসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহৰ সাধাৰণ নিয়ম আৰু এই বাহিনীসমূহৰ সন্দৰ্ভত অন্যান্য নিয়মসমূহ সংশোধন কৰিব বিচাৰিছে। ইয়াৰ উপৰিও তৃতীয় লিংগৰ ব্যক্তিৰ (অধিকাৰ সুৰক্ষা) আইন, ২০১৯ বিবেচনা আৰু গৃহীত কৰাৰ বাবে তালিকাভুক্ত কৰা হৈছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি পশ্চিম এছিয়াৰ পৰিস্থিতি সম্পৰ্কে মত বিনিময় কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতে শীঘ্ৰেই যুদ্ধৰ অৱসানৰ লগতে শান্তি প্ৰতিষ্ঠা আৰু হৰমুজ প্ৰণালী নিৰাপদভাৱে সকলোৰে বাবে মুকলি কৰাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে। সমগ্ৰ বিশ্বৰ বাবে এয়া অতি প্ৰয়োজনীয় বুলিও তেওঁ মত প্ৰকাশ কৰে। শান্তি আৰু স্থিৰতা ৰক্ষাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখাৰ দিশত দুয়োগৰাকী নেতাই যোগাযোগ ৰক্ষা কৰি চলাৰ বাবে একমত হোৱা বুলি শ্ৰীমোদীয়ে জনায়।

ooooo

চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰী আইন ১৯৫৫ৰ অধীনত প্ৰাকৃতিক গেছ আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰী বিতৰণ নিৰ্দেশ ২০২৬ জাৰি কৰিছে। এই নতুন নিৰ্দেশৰ জৰিয়তে সমগ্ৰ দেশৰ প্ৰতিটো পৰিয়ালক সামৰি পাইপযোগে প্ৰাকৃতিক গেছ যোগান- পি এন জি ব্যৱস্থাৰ সম্প্ৰসাৰণ দ্ৰুততৰ কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ বাবে সমগ্ৰ দেশতে এটা নিৰ্ধাৰিত সময়ৰ ভিতৰত এই নিৰ্দেশৰ জৰিয়তে উপযুক্ত আন্তঃগাঁথনিৰ নিৰ্মাণ সহজ হৈ উঠিব। আৱাসিক অঞ্চলকে ধৰি বিভিন্ন এলেকাত প্ৰাকৃতিক গেছ যোগান আন্তঃগাঁথনি সক্ষম কৰি তোলাৰ ক্ষেত্ৰত ভূমি আৱণ্টনৰ অনুমোদন আদিত এই নিৰ্দেশে সুপ্ৰভাৱ পেলাব। প্ৰাকৃতিক গেছ আৰু পেট্ৰ'লিয়াম মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই নিৰ্দেশৰ ফলত শক্তি সুৰক্ষা অধিক শক্তিশালী কৰাৰ লগতে সুগম ব্যৱসায়, পৰিৱেশ নিকাকৰণ আৰু অৰ্থনৈতিক বিকাশতো সহায়ক হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিছানায়াকেৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টযোগে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁলোকে বিশ্বৰ শক্তি আৰু সুৰক্ষা খণ্ডত প্ৰভাৱ পেলোৱা ব্যাঘাতৰ ওপৰত বিশেষ গুৰুত্ব

আৰোপ কৰি পশ্চিম এছিয়াৰ বিৱৰ্তনশীল পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। নেতাদুগৰাকীয়ে ভাৰত-শ্ৰীলংকা শক্তি সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে আঞ্চলিক নিৰাপত্তা বৃদ্ধিৰ লক্ষ্যৰে মূল পদক্ষেপসমূহৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰে। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত আৰু শ্ৰীলংকা উভয়ে প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত ঘনিষ্ঠভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি সুদৃঢ় কৰিছে।

০০০০০

নতুন দিল্লীত কালি দেশৰ প্ৰতিৰক্ষা বাহনীৰ প্ৰধান জেনেৰেল অনিল চৌহান আৰু ব্ৰিটেইনৰ বায়ুসেনা মুৰব্বী ছাৰ হাৰ্ভি স্মিথে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী সামৰিক বিষয়াই দেশদুখনৰ মাজত সামৰিক প্ৰশিক্ষণ বিনিময়, চোৰাংচোৱা সহযোগিতা আৰু সংহত সামৰিক সংযোগৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। লণ্ডনত থকা ভাৰতীয় উচ্চায়ুক্তই সামাজিক মাধ্যমৰ এটা পোষ্টত উল্লেখ কৰে যে ভৱিষ্যতৰ বাবে সাজু হৈ থকা ভাৰত- ব্ৰিটেইনৰ প্ৰতিৰক্ষা সংযোগক আগুৱাই নিবলৈ অনিল চৌহানে ছাৰ হাৰ্ভ স্মিথৰ সৈতে মত বিনিময় কৰে আৰু প্ৰশিক্ষণ বিনিময়, চোৰাংচোৱা সহযোগিতা আৰু সংহত সামৰিক সহযোগৰ অগ্ৰগতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকৰ সময়ত জেনেৰেল অনিল চৌহানে ১৭ সংখ্যক সামৰিক উপগোট বৈঠকৰ সফলতাক প্ৰশংসা কৰে আৰু ভাৰত আৰু ব্ৰিটেইনৰ মাজত গভীৰ, অধিক সংহত আৰু ভৱিষ্যতৰ বাবে সাজু প্ৰতিৰক্ষামূলক যোগাযোগক আগুৱাই নিয়াৰ ক্ষেত্ৰত আত্মবিশ্বাস প্ৰকাশ কৰে। এই বৈঠকত ভাৰতত থকা ব্ৰিটেইনৰ উচ্চায়ুক্ত লিণ্ডী কেমেৰনকে ধৰি অন্যান্য বিষয়াসকলো উপস্থিত থাকে। ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমণত অহা এয়াৰ চীফ মাৰ্শ্বাল ছাৰ হাৰ্ভি স্মিথে সোমবাৰে ভাৰতীয় বায়ুসেনাৰ এয়াৰ চিফ মাৰ্শ্বাল এ পি সিঙক সাক্ষাৎ কৰি কাৰ্যকৰী সহযোগিতা বৃদ্ধি আৰু বায়ু শক্তিৰ সম্পৰ্ক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

সমাপ্ত